**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ অধ্যক্ষতাত কালি নতুন দিল্লীত চতুৰ্থ ভাৰত মধ্য এচিয়া সন্মিলনৰ বৈঠক অনুষ্ঠিত হয়।

২। ভাৰতৰ টাটা এডভান্স ছিষ্টেমছ লিমিটেডে ফ্ৰান্সৰ এৰো স্পেছ্ কোম্পানী ডাছল্ট এভিয়েছনৰ সৈতে চাৰিখন চুক্তিত স্বাক্ষৰ কৰিছে।

৩। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিজৰ উপস্থিতিত কালি ১২ গৰাকী নক্সালবাদীয়ে ৰাজ্যখনৰ গড়চিৰলি জিলাৰ নিৰাপত্তা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰে।

৪। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ত্যাগৰ উৎসৱ বকৰী ঈদ বা ঈদ-উজ-জোহা দেশৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে।

***আৰু***

৫। ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাত আজি সন্ধিয়া মহিলাৰ একক শাখাৰ বিজয়ীৰ খিতাপ দখলৰ আৰিণা ছাবালেংকাই কোকো গ'ফৰ বিৰুদ্ধে খেলিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্কক সদায় অগ্ৰাধিকাৰ দিয়া হয় বুলি মন্তব্য কৰিছে। নতুন দিল্লীত কালি কাজাখস্তান, কিৰ্গিজ, তাজিকিস্তান, তুৰ্কমেনিস্তান আৰু উজবেকিস্তানৰ বৈদেশিক মন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে । ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক দেশকেইখনৰ বৈদেশিক মন্ত্ৰীসকলে চতুৰ্থ সংখ্যক ভাৰত-মধ্য এছিয়া সন্মিলনত হোৱা ইতিবাচক আৰু উৎপাদনশীল আলোচনাৰ বিষয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ সৈতে দেশকেইখনৰ অধিক অৰ্থনৈতিক আন্তঃসংযোগ, সম্প্ৰসাৰিত সংযোগ, বৰ্ধিত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা আৰু নতুন ক্ষেত্ৰত সহযোগিতাৰ বাবে তেওঁৰ দৃষ্টিভংগী প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ভাৰত-মধ্য এছিয়াৰ শক্তিশালী অংশীদাৰিত্বই আঞ্চলিক আৰু বিশ্বব্যাপী প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাত শক্তি বৰ্ধক

হিচাপে কাম কৰে। মধ্য এছিয়াৰ বৈদেশিক মন্ত্ৰীসকলে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে আৰু ভাৰতৰ সন্ত্ৰাসবাদবিৰোধী যুঁজখনৰ প্ৰতি সমৰ্থন আগবঢ়াই।

ooooo

ভাৰত আৰু মধ্য এছিয়াৰ দেশসমূহে বিশেষকৈ ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ মাজত অধিক বিত্তীয় সংযোগৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। চতুৰ্থ সংখ্যক ভাৰত-মধ্য এছিয়া সন্মিলনৰ যৌথ বিবৃতিত ৰাষ্ট্ৰসমূহে বাণিজ্য, বিনিয়োগ, পৰ্যটনৰ দৰে ক্ষেত্ৰসমূহক উৎসাহিত কৰিবলৈ বেংকৰ লেনদেন আৰু ৰাষ্ট্ৰীয় মুদ্ৰাত বাণিজ্য বৃদ্ধিৰ আহ্বান জনায়। দেশকেইখনে বিত্তীয় আৰু বেংকিং সংযোগীতাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত আৰু মধ্য এছিয়াৰ অংশীদাৰসকলৰ মাজত বেংকিং আৰু বিত্তীয় সংযোগ আৰু অধিক গভীৰ কৰাৰ উপায় অন্বেষণ কৰিবলৈ যৌথ কৰ্মগোট গঠনৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে। কালি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ অধ্যক্ষতাত ভাৰত-মধ্য এছিয়া সন্মিলনৰ বৈঠক অনুষ্ঠিত হয়। কাজাখাস্তান, কিৰ্গিজ, তাজিকিস্তান, তুৰ্কমেনিস্তান আৰু উজবেকিস্তানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীসকলে পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়ে। সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ বাবে তেওঁলোকে দৃঢ় দায়বদ্ধতা পুনৰবাৰ প্ৰকাশ কৰে।

ooooo

ভাৰতৰ টাটা এডভান্সড চিষ্টেমছ লিমিটেডে ফ্ৰান্সৰ এৰোস্পেচ কোম্পানী ডাছল্ট এভিয়েশনৰ সৈতে ভাৰতত ৰাফেল যুদ্ধ বিমানৰ ফিউজ'লাজ অংশ যৌথভাৱে নিৰ্মাণৰ বাবে চাৰিখন চুক্তিত স্বাক্ষৰ কৰিছে। ফ্ৰান্সৰ বাহিৰত প্ৰথমবাৰৰ বাবে এই জটিল উৎপাদন কৰিবলৈ লোৱা হৈছে। দেশৰ মহাকাশ উৎপাদন ক্ষমতা শক্তিশালী কৰাৰ লগতে বিশ্বব্যাপী যোগান শৃংখলক সহায় কৰাৰ ক্ষেত্ৰত ই এক উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হৈছে। প্ৰতিষ্ঠান দুটাই যুটীয়া প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে যে, এই পদক্ষেপে ভাৰতৰ মহাকাশ আন্তঃগাঁথনিত উল্লেখযোগ্য বিনিয়োগক প্ৰতিনিধিত্ব কৰিব। চুক্তিৰ অধীনত টাটা এডভান্সড চিষ্টেমে ৰাফেল বিমানৰ মূল গাঁথনিগত অংশ নিৰ্মাণৰ বাবে হায়দৰাবাদত এটা অত্যাধুনিক উৎপাদন কেন্দ্ৰ স্থাপন কৰিব। চুক্তি অনুসৰি ২০২৮ চনত ভাৰতত নিৰ্মিত ৰাফেল যুদ্ধ বিমানৰ ফিউজ'লাজ অংশ প্ৰথমবাৰৰ বাবে সাজু হোৱাৰ সম্ভাৱনা আছে। ভাৰতত থকা ফ্ৰান্সৰ ৰাষ্ট্ৰদূত থিয়ৰী মাথৌৱে দেশ দুখনৰ মাজত হোৱা এই ঐতিহাসিক চুক্তিক আদৰণি জনাইছে। সামাজিক মাধ্যমত দিয়া এটা

পোষ্টত মাথৌৰে এই পদক্ষেপক কৌশলগত অংশীদাৰিত্বৰ মাইলৰ খুঁটি বুলি অভিহিত কৰি মেক ইন ইণ্ডিয়া পদক্ষেপ, আত্মনিৰ্ভৰ ভাৰত আৰু বিশ্বব্যাপী মহাকাশ যোগান শৃংখলৰ প্ৰতি ফ্ৰান্সৰ সমৰ্থন দৃঢ়তাৰে প্ৰকাশ কৰে । ডাছল্ট এভিয়েশনৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া এৰিক ট্ৰেপিয়াৰে কয় যে ফ্ৰান্সৰ বাহিৰত প্ৰথমবাৰৰ বাবে ৰাফেলৰ ফিউজ'লাজ অংশ নিৰ্মাণ কৰা হ’ব। টাটা এডভান্সড চিষ্টেমছ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া তথা পৰিচালন সঞ্চালক সুকৰণ সিঙেও ভাৰতৰ মহাকাশ যাত্ৰাত এই পদক্ষেপক গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চলিত মাহত কানাডাৰ কানানাস্কিসত হ'বলগীয়া জি-ছেভেন সন্মিলনত উপস্থিত থাকিব। কালি কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেৰ সৈতে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এই সংক্ৰান্তত টেলিফোনিক বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কানাডাৰ শেহতীয়া নিৰ্বাচনত মাৰ্ক কাৰ্নেই বিজয় লাভ কৰা বাবে শুভেচ্ছা জনোৱাৰ লগতে কানানাস্কিসত হ'বলগীয়া জি-ছেভেন সন্মিলনত আমন্ত্ৰণ জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু কানাডাই পৰস্পৰ স্বাৰ্থজড়িত বিষয়সমূহত একেলগে কাম কৰিব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে এই সন্মিলনৰ সময়ছোৱাত তেওঁ কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰিবলৈ আগ্ৰহী।

বিশ্বৰ সাতখন দেশৰ এই সন্মিলন জি-ছেভেন চলিত মাহৰ ১৫ৰ পৰা ১৭ জুনলৈ কানাডাৰ কানানাস্কিসত অনুষ্ঠিত হ'ব। কানাডাৰ ৰাজধানী অ'ট'ৱাত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দেশখনৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেই কয়, যে জি-ছেভেন সন্মিলনত উদিয়মান আৰু উন্নয়নশীল দেশসমূহৰ সৈতে বৈদেশিক অংশীদাৰিত্বৰ ক্ষেত্ৰত আলোকপাত কৰা হ'ব।

ooooo

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিজৰ উপস্থিতিত কালি ১২ গৰাকী নক্সালবাদীয়ে ৰাজ্যখনৰ গড়চিৰলি জিলাৰ নিৰাপত্তা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰে। এই নক্সালবাদী কেইজনক ধৰাৰ বাবে এক কোটি টকাতকৈও অধিক পুৰস্কাৰ ঘোষণা কৰা হৈছিল। এই সংক্ৰান্তত মুখ্যমন্ত্ৰী শ্ৰী ফাড়নাবিজে মহাৰাষ্ট্ৰ-চত্তিশগড় সীমান্তৰ ভিতৰুৱা গাঁও কবান্দে ভ্ৰমণ কৰিছিল। মুখ্যমন্ত্ৰী ফাড়নাবিজেই হৈছে নক্সাল অধ্যুষিত এনে অঞ্চল ভ্ৰমণ কৰা ৰাজ্যখনৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ত ১২ গৰাকী দুৰ্ধৰ্ষ উগ্ৰপন্থীয়ে তেওঁলোকৰ অস্ত্ৰ সম্বৰণ কৰাৰ লগতে গড়ছিৰলি জিলা প্ৰশাসনৰ আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰে। মুখ্যমন্ত্ৰী শ্ৰী ফাড়নাবিজে তেওঁলোকক সংবিধানৰ একোটা প্ৰতিলিপি প্ৰদানেৰে মূল সুঁতিলৈ আদৰণি জনায়। এই সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অস্ত্ৰ সম্বৰণ কৰা আটাইকেইজন উগ্ৰপন্থীয়ে মূল সুঁতিত চামিল হৈছে আৰু ভাৰতীয় সংবিধানৰ প্ৰতি নিজৰ আনুগত্য প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিগত ১৮ মাহত ২৮ গৰাকী মাওবাদীৰ মৃত্যু হোৱাৰ লগতে ৩১ গৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৪৪ গৰাকী উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছে। অহা বছৰৰ মাৰ্চলৈ নক্সালবাদীক সম্পূৰ্ণৰূপে নিঃশেষ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰাৰ লগতে মহাৰাষ্ট্ৰত বৰ্তমান অতি কম সংখ্যক নক্সালবাদীয়ে সক্ৰিয়ভাৱে কাম কৰি থকা বুলি উল্লেখ কৰে। অৱশিষ্ট নক্সালবাদীকেইজনলৈ এয়া এক বাৰ্তা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে নক্সালবাদীসকলক আত্মসমৰ্পণ কৰি মূল সুঁতিলৈ উভতি আহিবলৈ আহ্বান জনায়। তেওঁ কয়, যে আত্মসমৰ্পণ কৰাৰ পাছত চৰকাৰী নিয়ম অনুসাৰে

তেওঁলোকক পুনঃসংস্থাপন দিয়া হ'ব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে ১৩ গৰাকী প্ৰাক্তন নক্সালবাদীৰ গণবিবাহতো উপস্থিত আছিল। অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে আনন্দ প্ৰকাশ কৰি প্ৰাক্তন নক্সালবাদী কেইজনৰ নতুন জীৱনলৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ত্যাগৰ উৎসৱ বকৰী ঈদ বা ঈদ-উজ-জোহা দেশৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে। এই উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত সমূহীয়া নামাজ আদায় কৰিব। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত জামা মছজিদ, ফাতেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহ ময়দানত ঈদৰ সমূহীয়া নামাজৰ আয়োজন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়।

ঈদ-উজ-জোহা উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱ ত্যাগ, বিশ্বাস আৰু মানৱীয় প্ৰমূল্যবোধৰ প্ৰতীক। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে সমাজত একতা, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা বিলায়। তেওঁ আত্ম স্বাৰ্থহীন আৰু আত্মোৎসৰ্গাৰ মনোভাৱেৰে এখন সুন্দৰ সমাজ নিৰ্মাণৰ বাবে সকলোকে একেলগে কাম কৰিবলৈ আহ্বান জনায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো ঈদ-উজ-জোহা উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণৰ মাজত আনন্দ, সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে সমাজত ইতিবাচক প্ৰভাৱ পেলাব।

০০০০০

ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগীতাত আজি সন্ধিয়া মহিলাৰ একক শাখাৰ বিজয়ী খিতাপ দখলৰ বাবে আৰিনা ছাবালেংকাই কোকো গ'ফৰ বিৰুদ্ধে খেলিব। বেলাৰুছৰ ছাবালেংকাই পোলেণ্ডৰ খেলুৱৈ তথা বিশ্বৰ পঞ্চম স্থানত থকা খেলুৱৈ ইগা শ্বুইটেকক ৭-৬, ৪-৬, ৬-০ চেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আমেৰিকাৰ খেলুৱৈ গ'ফে ছেমিফাইনেলত ফ্ৰান্সৰ অছিড ল'ইছ বয়ছনক ৬-১, ৬-২ চেটত পৰাস্ত কৰে। পুৰুষৰ একক শাখাত বিশ্বৰ ১ নম্বৰ স্থানত থকা জানিক ছিনাৰে দুই নম্বৰ স্থানত থকা খেলুৱৈ কাৰ্লোছ আলকাৰাজৰ বিৰুদ্ধে খেলিব। ইটালীৰ ছিনাৰে ছাৰ্বিয়াৰ ন'ভাক জ'কভিচক ৬-৪, ৭-৫, ৭-৬ চেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইটালীৰ লৰেঞ্জো মুছেট্টিক পৰাস্ত কৰি স্পেইনৰ আলকাৰাজে ক্ৰমাগতভাৱে দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগীতাত ইটালীৰ যুটি চাৰা এৰানি আৰু আন্দ্ৰেয়া ভাভাছ'ৰীয়ে ফাইনেলত আমেৰিকাৰ টেইলৰ টাউনচেণ্ড আৰু ইভান কিঙৰ যুটিটোক ৬–৪, ৬–২ চেটত পৰাস্ত কৰি মিক্সড ডাবলছৰ খিতাপ দখল কৰিছে।

০০০০০

সমাপ্ত